# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-09-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*
**- - - - - - - - - - - - - - -**

১। কার্বি আংলং জিলাৰ চিমেণ্ট কৰ্প’ৰেচন অৱ্ ইণ্ডিয়া লিমিটেডৰ বোকাজান প্ৰকল্প পুনৰুজ্জীৱিত কৰিবলৈ চৰকাৰে প্ৰায় ৭০০ কোটি টকা বিনিয়োগ কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰী এইচ ডি কুমাৰাস্বামীৰ গুৱাহাটীত ঘোষণা।

২। পঞ্চায়ত ব্যৱস্থাত প্ৰকৃত গণতন্ত্ৰ পৰিলক্ষিত হয় বুলি পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী এছ্ পি সিং বাঘেলৰ গুৱাহাটীত মন্তব্য।

৩। আয়ুস্মান ভাৰত-প্ৰধানমন্ত্ৰীৰ জন আৰোগ্য আঁচনি আৰম্ভ হোৱা ৬ বছৰ সম্পূৰ্ণ। এই আঁচনিৰ অধীনত অসমৰ ১০ লাখতকৈ অধিক ৰোগী উপকৃত।

৪। ৰাজ্যৰ ভিন্ন প্ৰান্তত আজি বিয়লি হোৱা বৰষুণৰ ফলত উৎকট গৰমৰ পৰা জনসাধাৰণৰ সকাহ।

আৰু

৫। গ্ৰীষ্ম প্ৰবাহৰ প্ৰতি লক্ষ্য ৰাখি সন্দৰ্ভত সৰ্বশিক্ষা মিছনৰ অহা ২৭ ছেপ্তেম্বৰলৈ কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহ বন্ধ ঘোষণা।

oooooooo

কেন্দ্ৰীয় মন্ত্ৰী এছ পি সিং বাঘেলে আজি গুৱাহাটীৰ খানাপাৰাৰ প্ৰশাসনিক মহাবিদ্যালয়ত পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ উদ্যোগত আয়োজিত পাঁচ দিনীয়া আবাসীক অনুযদ বিকাশ কাৰ্যসূচী মুকলি কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত পঞ্চায়তততহে প্ৰকৃত গণতন্ত্ৰ পোৱা যায় বুলি প্ৰকাশ কৰে। তৃণমূল পৰ্যায়ৰ কৰ্মীসকলে সন্মুখীন হোৱা প্ৰত্যাহ্বান আৰু প্ৰত্যাশা সন্দৰ্ভতো তেওঁ আলোকপাত কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত তেওঁ দেশৰ উন্নয়নৰ বাবে স্মাৰ্ট ছিটিৰ দৰে স্মাৰ্ট গাঁৱৰ ধাৰণা গঢ়ি তোলাৰ বিষয়ে গুৰুত্ব আৰোপ কৰে। গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰাৰ বাবে প্ৰত্যক্ষ লাভালাভ স্থানান্তৰৰ ভূমিকা সন্দৰ্ভতো তেওঁ জোৰ দিয়ে।

oooooooo

সমগ্ৰ দেশতে ৭০ হাজাৰতকৈও অধিক বাহন চাৰ্জিং ষ্টেচন স্থাপনৰ বাবে কেন্দ্ৰই দুহেজাৰ কোটিতকৈও অধিক টকা বিনিয়োগ কৰাৰ পৰিকল্পনা কৰিছে। গুৱাহাটীত কেন্দ্ৰীয় গধুৰ উদ্যোগ আৰু তীখা মন্ত্ৰী এইচ ডি কুমাৰাস্বামীয়ে এখন সংবাদমেল সম্বোধন কৰি এই বিষয়ে প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে যে অসমৰ কাৰ্বি আংলং জিলাৰ চিমেণ্ট কৰ্প’ৰেচন অৱ্ ইণ্ডিয়া লিমিটেডৰ বোকাজান প্ৰকল্প

পুনৰুজ্জীৱিত কৰিবলৈ চৰকাৰে প্ৰায় ৭০০ কোটি টকা বিনিয়োগ কৰিব। শ্ৰী কুমাৰাস্বামীয়ে শনিবাৰে বোকাজান চিমেণ্ট ফেক্টৰীত কেঁচা মিলত হট গেছৰ ব্যৱহাৰ উদ্বোধন কৰাৰ লগতে ১ মেগাৱাট গ্ৰীড সংযোজিত সৌৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

ooooooooo

মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম আঁচনিৰ বাবে বাছনি হোৱা হিতাধিকাৰীসকলক ৰাজ্যৰ বিভিন্ন অঞ্চলত প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। সেই অনুসৰি বজালীৰ ভট্টদেৱ বিশ্ববিদ্যালয়ত আজি অনুষ্ঠিত প্ৰশিক্ষণ শিবিৰত খাদ্য, ৰাজহুৱা বিতৰণ তথা গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস উপস্থিত থাকি হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে তেওঁলোকক দিহা-পৰামৰ্শ আগবঢ়ায়। মন্ত্ৰীগৰাকীয়ে লগতে হিতাধিকাৰীসকলক একোজন সফল উদ্যোগী হ'বলৈ শুভেচ্ছা জ্ঞাপন কৰে।

গোলঘাট জিলাতো নিৰ্বাচিত তথা পঞ্জীকৃত প্ৰাৰ্থীসকলক জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ, কৃষি বিষয়া কাৰ্যালয়ৰ সভাকক্ষ, জিলা পশুপালন তথা পশু চিকিৎসা বিষয়া কাৰ্যালয়, বোকাখাট মহকুমাৰ পশু চিকিৎসা বিজ্ঞান বিদ্যালয়ত প্ৰশিক্ষণ দিয়া হ'ব। এই উপলক্ষে ৰাজ্য চৰকাৰৰ কৃষি আৰু পশুপালন বিভাগৰ মন্ত্ৰী অতুল বৰাই বোকাখাট মহকুমাৰ পশু চিকিৎসা বিজ্ঞান বিদ্যালয়ত প্ৰশিক্ষণ শিবিৰৰ আনুষ্ঠানিকভাবে উদ্বোধন কৰে। ইপিনে, খুমতাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াই জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সভাকক্ষত প্ৰশিক্ষণ শিবিৰ মুকলি কৰে। আজিৰে পৰা ২০ অক্টোবৰলৈকে চলিবলগীয়া এই প্ৰশিক্ষণ শিবিৰত জিলাখনৰ সৰ্বমুঠ এহেজাৰ প্ৰশিক্ষাৰ্থীক কৃষি, মীনপালন, পশুপালন, সেৱা তথা অনান্য খণ্ডত প্ৰশিক্ষণ দিয়া হ'ব।

oooooooo

বিগত কেইবাদিনো ধৰি অব্যাহত থকা উৎকট গৰমৰ বাবে কামৰূপ মহানগৰ জিলাৰ সকলো চৰকাৰী আৰু বে-চৰকাৰী বিদ্যালয় কাইলৈৰ পৰা ২৭ ছেপ্টেম্বৰলৈ বন্ধ ঘোষণা কৰা হৈছে। প্ৰচণ্ড গৰমৰ বাবে মহানগৰীৰ কেইবাখনো বিদ্যালয়ৰ মুৰববীয়ে ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্যৰ অৱনতি ঘটাৰ বিষয়ে অৱগত কৰাৰ পৰিপ্ৰেক্ষিতত জিলাখনৰ আয়ুক্তৰ অনুমোদন সাপেক্ষে সমগ্ৰ শিক্ষাই এই নিৰ্দেশ জাৰি কৰিছে।

oooooooo

আয়ুস্মান ভাৰত-প্ৰধানমন্ত্ৰীৰ জন আৰোগ্য যোজনা আৰম্ভ আজি ৬বছৰ সম্পূৰ্ণ হ'ল। আজিৰ দিনটোতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৮ চনত ঝাৰখণ্ডৰ ৰাছিৰ পৰা এই আঁচনিৰ শুভাৰম্ভ কৰিছিল। এই আঁচনিৰ জৰিয়তে প্ৰতিবছৰে প্ৰতিটো পৰিয়ালক ৫লাখ টকাৰ স্বাস্থ্য সেৱা প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। অসমতো বিগত ছটা বছৰত এই আঁচনিৰ অধীনত স্বাস্থ্য সংক্ৰান্তীয় ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আঁচনিৰ অধীনৰ হিতাধিকাৰীসকলক স্বাস্থ্য সম্বন্ধীয় বিভিন্ন সা-সুবিধা প্ৰদানৰ উদ্দেশ্যে আয়ুস্মান কাৰ্ড বিতৰণ কৰা হৈছে। অসমত আয়ুস্মান কাৰ্ডৰ জৰিয়তে চিকিৎসা সুবিধা লাভ কৰা ৰোগীৰ সংখ্যা ১০ লাখতকৈ অধিক হৈছে। ইফালে, প্ৰতিবছৰে এই আঁচনিৰ অধীনত ৬০০ কোটিতকৈও অধিক টকাৰ নগদ ধন ঘূৰাই দিয়া ব্যৱস্থাৰ জৰিয়তে চিকিৎসা সেৱা আগবঢ়োৱা হৈছে। ইপিনে, মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত ক্ৰমে ৬৬ লাখ আৰু ২ কোটি ৩লাখ হিতাধিকাৰী পৰিয়ালক সামৰি লোৱা হৈছে। এই আঁচনিৰ অধীনত চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ ৩০০খন চিকিৎসালয়ৰ জৰিয়তে হিতাধিকাৰীসকলক নগদ বিহীন চিকিৎসা সেৱা আগবঢ়োৱা হৈছে। এই সম্পৰ্কে অটল অমৃত ছ'চাইটি অসমৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ সিঙে এইদৰে কয়-

-ভইচ কাষ্ট-

ইফালে, গোলাঘাট জিলাতো এই দিৱস উদযাপন কৰা হয়। গোলঘাট নগৰৰ এখন ব্যক্তিগত মহাবিদ্যালয়ত এই দিৱসৰ লগত সংগতি ৰাখি আয়ুস্মান পষেক কাৰ্যসূচী পালন কৰা হয়। এই উপলক্ষে ছাত্ৰ-ছাত্ৰী আৰু স্বাস্থ্য বিভাগৰ বিষয়া কৰ্মচাৰীসকলৰ অংশগ্ৰহণেৰে এটা সমদল উলিওৱা হয়।

০০০০০০০০

বিজেপিৰ সদস্যতা অভিযানৰ সৈতে সংগতি ৰাখি শিৱসাগৰৰ পুৰণি পুখুৰীত এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভা অনুষ্ঠিত হয়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যসভাৰ সাংসদ পৱিত্ৰ মাৰ্ঘেৰিটা, প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈ, মন্ত্ৰী পীযুষ হাজৰিকাকে ধৰি ভালে কেইগৰাকী নেতাই বৈঠকত অংশগ্ৰহণ কৰে। সভাত যোৰহাট লোকসভা সমষ্টিত নতুন সদস্য ভৰ্তি সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। শিৱসাগৰ মণ্ডলৰ সভাপতিসকলৰ সৈতে দলৰ শীৰ্ষ নেতৃত্বই মত বিনিময় কৰাৰ লগতে সদস্য ভৰ্তি অভিযান তীব্ৰতৰ কৰাৰ বাবে ৰণকৌশল প্ৰস্তুত কৰে। উল্লেখযোগ্য যে, বিজেপিৰ সদস্য ভৰ্তি অভিযানৰ পৰিপ্ৰেক্ষিতত বৰ্তমানলৈ ৰাজ্যৰ প্ৰায় ৩৭ লাখ লোকে দলটোৰ সদস্যপদ গ্ৰহণ কৰিছে।

০০০০০০০০

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ এশ দিন সম্পূৰ্ণ হৈছে। এই সময়ছোৱাত চৰকাৰে আন্তঃগাথনি, সমাজ কল্যাণ, কৃষক, মধ্যবিত্ত শ্ৰেণী, মহিলা আৰু যুৱ প্ৰজন্মৰ হকে প্ৰায় ১৫ লাখ কোটি টকা ব্যয় সাপেক্ষ বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। চৰকাৰে বিশেষভাৱে মহিলাৰ দ্বাৰা পৰিচালিত বিকাশৰ বাবে শক্তিশালী পৰিকাথামো গঠনৰ দিশত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ বাবে দেশৰ গ্ৰামাঞ্চল আৰু আৰ্থিকভাৱে পিছপৰা অঞ্চলৰ মহিলাসকলৰ সৱলীকৰণৰ ক্ষেত্ৰত কেইবাটাও উদ্যম মুকলি কৰা হৈছে। দেশক ২০৪৭ চনৰ ভিতৰত বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্যক বাস্তৱায়িত কৰিবলৈ নৰেন্দ্ৰ মোদী চৰকাৰে কেইবাটাও মহিলাকেন্দ্ৰীক পদক্ষেপ গ্ৰহণ কৰিছে। দিনদয়াল অন্ত্যোদয় আঁচনি -ৰাষ্ট্ৰীয় গ্ৰামীন জীৱিকা অভিযানৰ অধীনত ৯০ লাখৰো অধিক আত্মসহায়ক গোটৰ জৰিয়তে প্ৰায় ১০ কোটি মহিলাক অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰায় এঘাৰ লাখ নতুন লাখপতি দিদিয়ে প্ৰধানমন্ত্ৰীৰ পৰা তেঁওলোকৰ সফলতাৰ চিনৰূপে প্ৰমাণপত্ৰ লাভ কৰিছে। এই বছৰৰ বাজেটত নাৰী শক্তিক লাভান্বিত কৰাৰ উদ্দেশ্যে ৩ লাখ কোটি টকা ধাৰ্য কৰা হৈছে। আনহাতে, মহিলাৰ বাবে সন্মান তথা ঘৰৰ মালিকীস্বত্ত সুনিশ্চিত কৰাৰ বাবে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত প্ৰায় ৩ কোটি অতিৰিক্ত গৃহ নিৰ্মাণ কৰা হ'ব। তদুপৰি মহিলা উদ্যোগীসকলৰ সৱলীকৰণৰ প্ৰতি লক্ষ্য ৰাখি মুদ্ৰা ঋণৰ সীমা ১০ লাখৰ পৰা ২০ লাখ টকালৈ বৃদ্ধি কৰা হৈছে।

আনহাতে মহিলা নেতৃত্বাধীন বিকাশৰ ক্ষেত্ৰতো নৰেন্দ্ৰ মোদী চৰকাৰে বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰিছে। শিক্ষা, উদ্যমিতা, কৃষি, প্ৰযুক্তি আৰু অন্যান্য ক্ষেত্ৰৰ পদক্ষেপৰ জৰিয়তে চৰকাৰে মহিলাসকলক সৱলীকৰণ কৰিবলৈ বদ্ধপৰিকৰ হৈছে। মহিলা সৱলীকৰণৰ বিভিন্ন আঁচনিৰ সুবিধা লাভ কৰা বৰপেটা জিলাৰ এগৰাকী হিতাধিকাৰীয়ে আমাৰ সংবাদদাতাক এনেদৰে কয়--

-ভইচ কাষ্ট-

০০০০০০০

ৰাজ্যৰ ভিন্ন প্ৰান্তত আজি বিয়লি হোৱা বৰষুণৰ ফলত উৎকট গৰমৰ পৰা জনসাধাৰণে কিছু সকাহ লাভ কৰিছে। বিগত কেইবাদিনো ধৰি গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ কেইবাটাও প্ৰান্তত তাপমাত্ৰা বৃদ্ধি পাইছিল। স্বাভাৱিক তাপমাত্ৰা চাৰিৰ পৰা পাঁচ ডিগ্ৰী চেলছিয়াছলৈ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যবাসীয়ে

অস্বস্তিকৰ পৰিৱেশৰ মাজেৰে দিন পাৰ কৰিবলগীয়া হৈছে। আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৭ ছেপ্তেম্বৰলৈ ৰাজ্যৰ কেইবাখনো জিলাত বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে।

0000000

আধুনিক অসমীয়া সংগীতক অনন্য মাত্ৰা প্ৰদান কৰা প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ কণ্ঠত গ্ৰামোফোন ৰেকৰ্ডত বাণীবদ্ধ হোৱা প্ৰথম অসমীয়া গীতৰ শতবাৰ্ষিকী অনুষ্ঠান অহা ২৭ ছেপ্তেম্বৰত গুৱাহাটীৰ দীঘলীপুখুৰীপাৰৰ অসম সাহিত্য সভাৰ লক্ষীৰাম বৰুৱা সদনত অনুষ্ঠিত হ'ব। শতবাৰ্ষিকী উদযাপন সমিতিয়ে সংবাদ মেল সম্বোধন কৰি এই সন্দৰ্ভত তথ্য প্ৰকাশ কৰে। আউনীআতী সত্ৰৰ সত্ৰাধিকাৰ পিতাম্বৰ দেৱগোস্বামীয়ে আনুষ্ঠানিকভাৱে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। উদ্বোধনী অনুষ্ঠানত প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ গীত পৰিৱেশনৰ লগতে গ্ৰামোফোন ৰেকৰ্ড আৰু ৰেকৰ্ডৰ কপি প্ৰদৰ্শন কৰা হ'ব। তদুপৰি শতবাৰ্ষিকী অনুষ্ঠানৰ সৈতে সংগতি ৰাখি তেজপুৰ, ডিব্ৰুগড়, উত্তৰ গুৱাহাটীকে ধৰি কেইবাটাও স্থানত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়।

0000000

চৰাইদেউ জিলাৰ নৱ নিযুক্ত জিলা আয়ুক্ত ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া নেহা যাদৱে আজি আনুষ্ঠানিকভাৱে কাৰ্যভাৰ গ্ৰহণ কৰি জিলাখনৰ ৰাজহ ব্যৱস্থপনা সম্পৰ্ক বুজ লয়। আয়ুক্তগৰাকীয়ে চৰকাৰী কাম-কাজৰ সেৱা সমূহ নিৰ্ধাৰিত সময় সীমাৰ ভিতৰত সম্পন্ন কৰাৰ লগতে স্বচ্চতা বজাই ৰখাৰ পোষকতা কৰে।

0000000

কাৰ্বি আংলং জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ উদ্যোগত আজি ৰাষ্ট্ৰীয় ধঁপাত নিয়ন্ত্ৰণ কাৰ্যসূচীৰ অধীনত জিলা পৰ্যায়ৰ সমন্বয় সমিতিৰ সভা অনুষ্ঠিত হয়। এই উপলক্ষে বিভাগীয় সচিব ৰাজেচন টেৰাঙৰ অধ্যক্ষতাত অনুষ্ঠিত সভাত তথ্য চিত্ৰৰ জৰিয়তে ধঁপাত সেৱনৰ অপকাৰিতা সম্পৰ্কে আলোকপাত কৰা হয়। জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ সমল ব্যক্তি এছ কে দাসে ধঁপাত আৰু চিগাৰেট সেৱনে শৰীৰত ক্ষতি আৰু বিপদৰ বিষয়ে উল্লেখ কৰি ৰাজ্যখনত প্ৰতিদিনে ৬লাখ ৫০ হাজাৰ গুটখা পেকেট বিক্ৰী হোৱা বুলি তথ্য আগবঢ়ায়। তেওঁ লগতে ধঁপাত জাতীয় দ্ৰব্য সেৱনৰ পাছত দেশত প্ৰতিদিনে ১০ লাখ লোকৰ মৃত্যু হোৱাৰ লগতে ধঁপাত ব্যৱহাৰকাৰীসকলৰ ভিতৰৰে ৫০ শতাংশই কৰ্কট ৰোগত আক্ৰান্ত হয় বুলি প্ৰকাশ কৰে। জিলাখনত ধঁপাত মুক্ত গাওঁ আৰু ধঁপাত মুক্ত শিক্ষানুষ্ঠান গঢ় দিবলৈ শিক্ষক-শিক্ষয়িত্ৰী তথা দায়িত্বশীল লোকক তেওঁ আহ্বান জনায়।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন

নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

0000000

চিত্ৰ নিৰ্মাতা কিৰণ ৰাওৰ হাস্যমধুৰ ছবি **লাপাটা লেডিজ**ক ২০২৫ বৰ্ষৰ অস্কাৰ বঁটাৰ শ্ৰেষ্ঠ বিদেশী ভাষা ছবিৰ শিতানৰ বাবে ভাৰতৰ তৰফৰ পৰা আনুষ্ঠানিকভাবে স্বীকৃতি দিয়া হৈছে। অসমীয়া চলচিত্ৰ পৰিচালক জাহ্নু বৰুৱাৰ নেতৃত্বত ১৩জনীয়া এখন নিৰ্বাচনী  সমিতিয়ে সৰ্বসন্মতি ক্ৰমে আমিৰ খান আৰু কিৰণ ৰাৱে প্ৰযোজনা কৰা চলচিত্ৰখন নিৰ্বাচন কৰে বুলি ভাৰতীয় ফিল্ম ফেডাৰেচনে নিশ্চিত কৰে।

00000000

সমাপ্ত